بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

## বদৰ যুদ্ধৰ প্ৰস্তুতিৰ অৱস্থা আৰু ঘটনাৱলী আৰু আঁহজৰত (ছাঃ)য়ে বিনম্ৰতাৰ সৈতে কৰা দোৱাৰ বৰ্ণনা

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ্ আলখামিছ (আইঃ)য়ে ৩০ জুন ২০২৩ চনত মছজিদ মোবাৰক ইছলামাবাদ লণ্ডন (বৃটেইনত) প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

أَشۡهَدُ أَنۡ لَا إِلٰهَ إِلَّا اللّٰهُ وَحۡدَهُ لَا شَرِيۡكَ لَهُ وَأَشۡهَدُ أَنَّ مُحَمَّدًا عَبۡدُهُ وَرَسُوۡلُهُ أَمَّا بَعۡدُ فَأَعُوۡذُ بِاللّٰهِ مِنَ الشَّيۡطٰنِ الرَّجِيۡمِ ـ بِسۡمِ اللّٰهِ الرَّحۡمٰنِ الرَّحِيۡمِ ـ اَلۡحَمۡدُ لِلّٰهِ رَبِّ الۡعٰلَمِيۡنَ ـ الرَّحۡمٰنِ الرَّحِيۡمِ ـ مٰلِكِ يَوۡمِ الدِّيۡنِ ـ اِيَّاكَ نَعۡبُدُ وَاِيَّاكَ نَسۡتَعِيۡنُ ـ اِهۡدِنَا الصِّرَاطَ الۡمُسۡتَقِيۡمَ ـ صِرَاطَ الَّذِيۡنَ اَنۡعَمۡتَ عَلَيۡهِمۡ ۙ غَيۡرِ الۡمَغۡضُوۡبِ عَلَيۡهِمۡ وَلَا الضَّآلِّيۡنَ ـ

তাছাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয়, ছোৱাদ বিন গুজিয়াই ৰছুলুল্লাহ (ছাঃ) ৰ সৈতে কৰা ভালপোৱাৰ কথা যোৱা খোতবাত মই বৰ্ণনা কৰিছোঁ। এই উদ্ধৃতিত আৰু অধিক বিস্তাৰিত এনেদৰে যে ছোৱাদ সেই যুদ্ধত বিজয় লাভ কৰি উভতি আহে আৰু পৌত্তলিক সকলৰ পৰা এজন ব্যক্তি খালিদ বিন হিশামক বন্দী কৰি লয়। তাৰ পিছত ৰছুলে কৰিম (ছাঃ)য়ে তেওঁক খায়বৰ যুদ্ধৰ সা-সামগ্ৰী একত্ৰিত কৰাৰ বাবে নিযুক্ত কৰে।

হজৰত মিৰ্জা বশিৰ আহমদ চাহাব (ৰাঃ)য়ে এই ঘটনাৰ কথা উল্লেখ এনেদৰে কৰিছে যে সেই দিন দ্বিতীয় ৰমজান হিজৰী ১৭ তাৰিখ জুমাৰ দিন আছিল। পুৱাতে পোনপ্ৰথমে নামাজ পঢ়িলে। হুজুৰ (ছাঃ)য়ে জিহাদ সন্দৰ্ভে খোতবা প্ৰদান কৰিছিল। যেতিয়া অলপ পোহৰ হয় তেতিয়া ৰছুলুল্লাহ (ছাঃ)য়ে এটা তীৰৰ ইঙ্গিততে মুছলমান সকলৰ সঠিক ভাৱে শাৰী পাতিবলৈ আৰম্ভ কৰে। এজন চাহাবা ছোৱাদ নামৰ শাৰীৰ পৰা সন্মুখত গৈ থিয় হৈছিল। হজৰত মহম্মদ (ছাঃ)য়ে তীৰৰ দ্বাৰা ইঙ্গিত কৰি তেওঁক পিছফালে যাবলৈ কয়। হঠাৎ কৰি সেই তীৰ খন গৈ চাহাবা জনৰ বুকুত লাগে। সেই চাহাবাজনে কলে যে ইয়া ৰছুলুল্লাহ (ছাঃ) আপোনাক আল্লাহ তা'লাই সত্য আৰু ন্যায়ৰ সৈতে প্ৰেৰণ কৰিছে, কিন্তু আপুনি অন্যায় ভাৱে তীৰ নিক্ষেপ কৰিলে। খোদাৰ শপত মই নিশ্চয় ইয়াৰ প্ৰতিশোধ ল'ম। তেতিয়া আঁহজৰত (ছাঃ)য়ে কয় যে ঠিকেই কৈছা ছোৱাদ তুমিও মোলৈ তীৰ নিক্ষেপ কৰা। ইমানখিনি কৈ তেখেত (ছাঃ)য়ে নিজৰ বুকুৰ পৰা কাপোৰ গুচাই দিলে। চাহাবা সকলে আশ্চৰ্য হৈছিল যে ছোৱাদৰ কি হ'ল ?

ছোৱাদে ভালপোৱা হিচাপে তেখেত (ছাঃ)ৰ বুকুখনত চুমা দিয়ে। আঁহজৰত (ছাঃ)য়ে হাঁহি মুখেৰে কয় ছোৱাদ তোমাৰ কি হৈছে ? ছোৱাদে প্ৰেম ভৰা হৃদয়েৰে কয় ইয়া ৰছুলুল্লাহ (ছাঃ) শত্ৰু সকল সন্মুখতে আছে কিব হ'ব তাৰ কোনো খবৰ নাই যে ইয়াৰ পৰা বাচি যাব পাৰিম নে নাই, যাৰ কাৰণে মই বিচাৰিলো যে শ্বহীদ হৈ যোৱাৰ আগতেই আপোনাৰ কল্যাণময় শৰীৰৰ সৈতে স্পৰ্শ কৰো।

যেতিয়া ৰছুলে কৰিম (ছাঃ)য়ে শাৰী পোনপটীয়া কৰি চাহাবা সকলক কলে যে যেতিয়ালৈকে মই তোমালোকক আদেশ নিদিও তেতিয়ালৈকে শত্ৰু সকলৰ ওপৰত আক্ৰমণ নকৰিবা। তৰোৱাল সমূহ তেতিয়ালৈকে ধাৰণ নকৰিবা যেতিয়ালৈকে শত্ৰুসকলে কাষ চাপি নাহে। তেখেত (ছাঃ)য়ে খোতবাত জিহাদ আৰু ধৈৰ্য সম্বন্ধে মনোযোগ আকৰ্ষণ কৰোৱালে। আকৌ কয় বিপদৰ সময়ত ধৈৰ্য ধাৰণ কৰাৰ ফলত আল্লাহ তা'লাই অসুবিধা সমূহ দূৰ কৰে আৰু দুঃখৰ পৰা মুক্তি দান কৰে। এঠাইত আঁহজৰত (ছাঃ)ৰ যি খোতবা আছিল তাৰ বিস্তাৰিত ব্যাখ্যা এইদৰে বয়ান কৰা হৈছে যে তেখেত (ছাঃ)য়ে আল্লাহ তা'লাৰ প্ৰশংসা বয়ান কৰি কয় মই তোমালোকক এই কথাৰ ওপৰত জোৰ দিওঁ যে যাৰ ওপৰত আল্লাহ তা'লাই জোৰ দিছে, সেই বস্তুৰ পৰা তোমালোকক নিষেধ কৰো যি বস্তু আল্লাহ তা'লাই নিষেধ কৰিছে। আল্লাহ তা'লা যিজনা মহান, সেইজনাই তোমালোকক সত্যৰ আদেশ দিয়ে আৰু সত্যক পছন্দ কৰে আৰু পুণ্যবান সকলক উৰ্দ্ধ স্থানলৈ পৌচাই দিয়ে। কঠোৰতাৰ সময়ত ধৈৰ্য ধাৰণ কৰা এনেকুৱা যে যাৰ ফলত আল্লাহ তা'লা কষ্টক আঁতৰ কৰে আৰু দুঃখৰ পৰা মুক্তি দিয়ে। ধৈৰ্য ধাৰণ কৰাৰ ফলত অৱশেষত মুক্তি লাভ কৰিব পাৰিবা। আল্লাহ তা'লাই কৈছে আল্লাহৰ ক্ৰোধ তোমালোকৰ পৰস্পৰৰ ক্ৰোধতকৈ অধিক ভয়ানক। সেই বস্তুৰ ফালে দৃষ্টি নিক্ষেপ কৰা যাৰ ফালে সেইজনাই তোমালোকক কিতাপত আদেশ দিছে। সেইজনাই তোমালোকক নিদৰ্শন দেখুৱাইছে লাঞ্ছিত হোৱাৰ পিছত তোমালোকক সন্মান প্ৰদান কৰিছে। আল্লাহৰ ৰচীডাল শক্তিশালীৰে ধৰি ৰখা যাতে সেইজনাই সন্তুষ্ট হ'ব পাৰে। ইয়াতে তোমালোকক খোদাই পৰীক্ষা ল'ব বুলি দৃঢ় সংকল্প কৰা। তোমালোকে সেইজনাৰ কৃপা আৰু ক্ষমাৰ ভাগীদাৰী হ'বা সেইজনাই তোমালোকৰ সৈতে যি অঙ্গীকাৰ কৰিছে। সেইজনাৰ প্ৰতিশ্ৰুতি সত্য। সেইজনাৰ শাস্তি ভয়ানক। মই আৰু তোমালোকে আল্লাহৰ সৈতে আছো যিজনা চিৰঞ্জীৱ। আমি ইয়াতে নিজৰ বিজয়ৰ বাবে দোৱা কৰো। সেইজনাৰ ওপৰত ভৰসা কৰো আৰু সেইজনাৰ ফালেই ওভতি যাব লাগিব। আল্লাহ তা'লা আমাক আৰু মুছলমান সকলক ক্ষমা কৰক।

হজৰত ইবনে আববাছে বয়ান কৰিছে যে ৰছুলুল্লাহ (ছাঃ)য়ে যুদ্ধৰ দিনা চাহাবা সকলক কয় যে মই জানিব পাৰিছো যে বনু হাশিম আৰু কিছুমান লোক সকলে পৌত্তকিক সকলৰ সৈতে বাধ্য হৈ মিলিত হৈছে। আমি সিহঁতৰ সৈতে যুদ্ধ কৰিব নিবিচাৰো। তোমালোকৰ মাজৰ পৰা যদি কোনোবাই বনু হাশিমক দেখিবলৈ পায় তেতিয়া তেওঁক হত্যা নকৰিবা। যিজন আবুল বাহতৰিৰ সৈতে সাক্ষাৎ কৰে তেওঁ যেন তাক হত্যা নকৰে। যিজনে আববাছ বিন আব্দুল মুতালিবৰ সৈতে সাক্ষাৎকৰে তেওঁকো হত্যা নকৰিবা। এইদৰে কিছুমান এনেকুৱা লোক সকলেও সেই সেনাদলত অন্তৰ্ভুক্ত হৈছে যিসকলে আমাৰ বিপদৰ সময়ত আমাৰ সৈতে ভাল আচৰণ কৰিছে মক্কাত অৱস্থান কৰা সময়ত, সেই কাৰণে আমাৰ কৰ্তব্য যে আমি যেন সিহঁতৰ সৈতে উত্তম আচৰণ কৰো। যদি এনেকুৱা ব্যক্তিৰ ওপৰত বিজয় লাভ কৰা তেনে ক্ষেত্ৰত সিহঁতক কোনো ধৰণৰ কষ্ট নিদিবা।

আবু হুজায়ফা (ৰাঃ)য়ে তেতিয়া কয় এয়া কিদৰে হ'ব পাৰে যে আমি আমাৰ ভাতৃবৰ্গক হত্যা কৰিম কিন্তু আববাছক হত্যা নকৰিম। পিছত হজৰত আবু হুজায়ফা এই কথাক স্মৰণ কৰি বৰ পৰিতাপ কৰি কৈছে যে কেৱল শ্বাহাদতেই এই ভুলৰ প্ৰায়শ্চিত হ'ব পাৰে। অৰ্থাৎ আবু হুজায়ফা ইয়ামামাৰ যুদ্ধত শ্বহীদ বৰণ কৰে।

ৰছুলে কৰিম (ছাঃ)য়ে এই হিদায়ত সমূহ কৰাৰ পিছত আকৌ চায়েবানলৈ গৈ দোৱাত মগ্ন হৈ যায়। কিবলাৰ

ফালে মুখ কৰি ৰছুলুল্লাহ (ছাঃ)য়ে উচ্চ স্বৰে নিজৰ প্ৰভুক মাতি থাকে এনে অৱস্থাত তেখেতৰ চাদৰ কান্ধৰ পৰা পৰি যায়। হজৰত আবু বক্কৰ (ৰাঃ)য়ে তেখেতৰ ওচৰত গৈ উপস্থিত হয়,তেখেতৰ চাদৰ উঠায় তেখেতৰ কান্ধত ৰাখি দিয়ে তাৰ পিছত হজৰত আবু বক্কৰ (ৰাঃ)য়ে তেখেত (ছাঃ)ক পিছফালৰ পৰা সাৱটি ধৰি কয় হে আল্লাহ নবী! আপুনি নিজৰ প্ৰভুৰ ওচৰত কৰা এই দোৱা যথেষ্ট। সেইজনাই আপোনাৰ সৈতে কৰা অঙ্গীকাৰ নিশ্চয় পূৰ্ণ কৰিব।

যেতিয়া কাফিৰ সকলে আক্ৰমণ চলোৱা আৰম্ভ কৰিলে তেতিয়া আঁহজৰত (ছাঃ)য়ে খোদাৰ চৰণত ব্যাকুল হৈ দোৱা কৰে যে হে মোৰ প্ৰতিপালক ! নিজৰ অঙ্গীকাৰ পূৰ্ণ কৰা। মোৰ মালিক ! যদি মুছলমান সকলৰ এই জামাত আজি বিনাশ ঘটে তেতিয়া তোমাৰ উপাসনা কৰোঁতা কোনেও নাথাকিব। সেই দোৱাৰ সময়ত তেখেত (ছাঃ)য়ে ইমানে অস্থিৰতা হৈ যায় যে কেতিয়াবা সাষ্টাঙ্গে প্ৰণিপাত কৰে আৰু কেতিয়াবা থিয় হৈ খোদাৰ চৰণত দোৱা কৰে।

হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে কোৰাণত আঁহজৰত (ছাঃ)ক বাৰে বাৰে কাফিৰ সকলৰ ওপৰত বিজয় লাভ কৰাৰ প্ৰতিশ্ৰুতি দিয়া হৈছিল। যেতিয়া বদৰৰ যুদ্ধ সংঘটিত হয় যি ইছলামৰ প্ৰথম যুদ্ধ আছিল তেতিয়া আঁহজৰত (ছাঃ)য়ে কান্দি কান্দি দোৱা কৰে আৰু ক্ৰন্দন কৰি থাকোতে এই শব্দাৱলী মুখৰ পৰা নিৰ্গত হয় যে হে মোৰ প্ৰতিপালক ! আজি যদি তুমি এই ৩১৩ জনৰ জামাতক বিনাশ কৰি দিয়া তেতিয়া কিয়ামতলৈকে কোনোবাই তোমাৰ উপাসনা নকৰিব।

যেতিয়া তেখেত (ছাঃ)য়ে চায়বানত দোৱা কৰি আছিল তেতিয়া তেখেত (ছাঃ)য়ে হামি পাৰি থাকিছিল এবাৰ সাৰ পায় কয় হে আবু বক্কৰ ! আনন্দিত হৈ যোৱা তোমাৰ প্ৰতিপালকৰ ফালৰ পৰা সহায় আহি গৈছে। এয়া চোৱা জিব্ৰাইলে নিজৰ ঘোঁৰাৰ লগাম ধৰি সেই ঘোঁৰাক লৈ আহি আছে যাৰ ফলত ধূলিসাৎৰ চিহ্ন দেখিবলৈ পোৱা গৈ আছে।

বদৰ ময়দানত তেখেত (ছাঃ)য়ে জুবেৰ বিন আউৱামক মায়মুনালৈ, মিকদাৰ বিন উমৰুক মায়ছিৰালৈ,কায়েছক পিয়াদৰ সেনা বাহিনীৰ সেনাপতি নিযুক্ত কৰে। সেনা বাহিনীৰ নেতা তেখেত (ছাঃ)ৰ হাতত আছিল, তেখেত প্ৰথম শাৰীত আছিল। হজৰত আলী (ৰাঃ)য়ে কয় যে আমি যুদ্ধৰ দিনা ৰছুলুল্লাহ (ছাঃ)ক আৰৰি ৰাখিছিলোঁ, হুজুৰ (ছাঃ)য়ে শত্ৰু সকলৰ অতি কাষত আছিল। সকলো মুজাহিদ সকলতকৈ অধিক তেখেত (ছাঃ)য়ে যুদ্ধ কৰোঁতা আছিল।

হজৰত মিৰ্জা বশিৰ আহমদ চাহাব (ৰাঃ) য়ে বয়ান কৰিছে যে যেতিয়া সেনাদলে মুখামুখী হয় তেতিয়া খোদা তা'লাৰ আশ্চৰ্যমূলক ঐশ্বৰিক শক্তি দেখিবলৈ পোৱা যায় যে সেই সময়ত সেনা সকলে শাৰী পাতি থিয় হোৱাত এনেকুৱা যেন লাগিছে যে ইছলামী সেনা বাহিনী কুৰাইশ সকলতকৈ দ্বিগুণ। আনফালে কুৰাইশ সকলৰ সেনা বাহিনী মুছলমান সকলতকৈ কম দেখিবলৈ পোৱা গৈছিল। কুৰাইছৰ চৰ্দাৰ সকলে উমেৰ বিন ওহবক এই উদ্দেশ্যে প্ৰেৰণ কৰে যে যাতে তেওঁ মুছলমান সকলৰ সেনা বাহিনীৰ খবৰ ল'ব পাৰে। উমেৰে মুছলমান সকল চাই ইমানেই ভীতিগ্ৰস্ত হ'ল যে তেওঁ নিৰাশ হৈ ওভতি কাফিৰ সকলৰ ফালে যায় আৰু কুৰাইশ সকলক সম্বোধন কৰি কয় যে হে কুৰাইশৰ দল ! মই দেখিবলৈ পাইছো যে মুছলমান সকলৰ সেনা বাহিনীত উটবিলাকে নিজৰ ওপৰত মানুহক নহয় বৰং মৃত্যুক আকোৱালি লৈছে কুৰাইশ সকলে যেতিয়া এই সংবাদ পায় তেতিয়াই সিহঁতৰ মাজত অস্তিৰতা বিৰাজ কৰে।

হাকিম বিন হাজামে এই কথা শুনাৰ পিছত উতবা বিন ৰাবিয়াৰ ওচৰলৈ আহে আৰু উতবাক ওভতি যোৱাৰ পৰামৰ্শ দিয়ে। উতবা নিজে ভীতিগ্ৰস্ত হৈ পৰিছিল তেওঁ এই ৰায় পছন্দ কৰিলে আৰু হাকিমক কলে যে আমি আৰু মুছলমান সকল পৰস্পৰৰে আত্মীয় হওঁ। এয়া ভাল হ'ব নে যে ভাইয়ে ভ্ৰাতৃৰ ওপৰত তৰোৱাল ধাৰণ কৰিব।

গতিকে  তুমি আবু জাহিলৰ ওচৰলৈ গৈ এই পৰামৰ্শ উত্থাপন কৰা। যেতিয়া হাকিম বিন হাজমে আবু জাহিলৰ সন্মুখত এই ৰায় উত্থাপন কৰে তেতিয়া তেওঁ তৎক্ষণাত কয় যে এতিয়া উতবা সিহঁতৰ আত্মীয় হৈ পৰিছে, আবু জাহিলে কৌশলেৰে এই ৰায় এইদৰে ৰদ কৰি দিয়ে কাফিৰ সকলৰ সেনা বাহিনীৰ মাজতে শত্ৰুতাৰ জুই জ্বলি উঠিল আৰু যুদ্ধ কৰাৰ উৎসা হ্ৰাস পাবলৈ লয়।

খোতবাৰ শেষত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে যুদ্ধ আৰম্ভ হোৱাৰ ঘটনাৰ বিৰৰণ পৰৱৰ্তীত বয়ান কৰিম।

اَلْحَمْدُ لِلّٰہِ نَحْمَدُہٗ وَنَسْتَعِیْنُہٗ وَنَسْتَغْفِرُہٗ وَنُؤْمِنُ بِہٖ وَنَتَوَکَّلُ عَلَیْہِ وَنَعُوْذُ بِاللّٰہِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَیِّئَاتِ اَعْمَالِنَا مَنْ یَّھْدِہِ اللّٰہُ فَلَا مُضِلَّ لَہٗ وَمَنْ یُّضْلِلْہُ فَلَا ھَادِیَ لَہٗ وَنَشْھَدُ اَنْ لَّا اِلٰہَ اِلَّا اللّٰہُ
وَنَشْھَدُ اَنَّ مُحَمَّدًا عَبْدُہٗ وَرَسُوْلُہٗ عِبَادَ اللّٰہِ رحمکم اللّٰہ اِنَّ اللّٰہَ یَاْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِیْتَآءِ ذِی الْقُرْبٰی
وَیَنْھٰی عَنِ الْفَحْشَآءِ وَالْمُنْکَرِ وَالْبَغْیِ یَعِظُکُمْ لَعَلَّکُمْ تَذَکَّرُوْنَ اُذْکُرُوا اللّٰہَ یَذْکُرْکُمْ وَادْعُوْہُ یَسْتَجِبْ
لَکُمْ وَلَذِکْرُ اللّٰہِ اَکْبَرُ۔

ASSAMESE KHULASA KHUTBA  HUZUR ANWAR aba 30 JUNE 2023

BOOK POST PRINTED MATTER

TO.........................................................................................................

..............................................................................................................

................................................................................................................

From:-Ahmadiyya Circle Office Abhayapuri M.G. Road w/n -IV, Bongaigaon Assam 783384
#6000032598, 9707110844